# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

অসম মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৩৫৭ কোটি টকা ব্যয় সাপেক্ষে শিক্ষকৰ আবাসগৃহ আৰু ছাত্ৰাবাস নিৰ্মাণৰ প্ৰকল্পত অনুমোদন জনাইছে। ৮৫ হাজাৰ ৫০৯ বৰ্গ মিটাৰ এলেকাজুৰি নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ জৰিয়তে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অতিৰিক্ত সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই প্ৰকল্পৰ অধীনত অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, তৃতীয়বৰ্গৰ কৰ্মচাৰী তথা নাৰ্ছসকলৰ আবাস গৃহ, চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস, জি এন এম হোষ্টেল, ডাইনিং ব্লক, কমিউনিটি হল আদি নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি মিছন বসুন্ধৰাৰ অধীনত ভূমি আৱণ্টন, এটি কলি দুটি পাত আঁচনিত বিত্তীয় অনুমোদনকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্য চৰকাৰৰ ৩৩৬ টা আন্তঃগাঁথনিমূলক প্ৰকল্প, নিগম আৰু পৰিষদৰ ৪৫ টা আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু তিনি হাজাৰ ২৪৭ টা অব্যক্তিগত ন্যায়িক প্ৰতিষ্ঠান তথা ২৮ টা কেন্দ্ৰীয় চৰকাৰৰ বিভাগ আৰু সংস্থালৈ ভূমি আৱণ্টনত অনুমোদন জনোৱা হয়। ইপিনে, এটি কলি দুটি পাত আঁচনি ৰূপায়ণৰ বাবে ৩৪২ কোটি টকাৰ বিত্তীয় আৱণ্টনটো মন্ত্ৰীসভাই অনুমোদন জনায়। এই আঁচনিৰ অধীনত যোগ্য বিবেচিত চাহ বাগিচাৰ প্ৰায় সাত লাখ শ্ৰমিক আৰু কৰ্মচাৰীক পাঁচ হাজাৰ টকাৰ একক কিস্তিত এই ধন বিতৰণ কৰা হ'ব। দ্বিতীয় এডভাণ্টেজ আছামত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি মন্ত্ৰীসভাই লগতে গুৱাহাটীৰ সৰু সজাইত ৫০০ খন বিচনাযুক্ত মেদান্ত চিকিৎসালয়, ১০০ খন বিচনাযুক্ত মহিলা আৰু শিশু চিকিৎসালয় আৰু পঞ্চতাৰকাযুক্ত লেমন ট্ৰী হোটেল নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনায়। ৮০০ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্প তিনিটা নিৰ্মাণ কৰা হ'ব আৰু ইয়াৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে প্ৰায় দুহেজাৰ ৭০০ নিয়োগ সৃষ্টি হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। মন্ত্ৰীসভাৰ বৈঠকত ৰাষ্ট্ৰীয় প্ৰতিবন্ধী অধ্যয়ন বিশ্ববিদ্যালয় স্থাপনৰ বাবে সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ক ভূমি আৱণ্টন আৰু প্ৰিমীয়াম ৰেহাইৰ ক্ষেত্ৰত অনুমোদন জনোৱা হয়।

০০০০০

৩ বছৰ ধৰি বন্ধ হৈ থকা গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন পুনৰ মুকলি কৰাৰ দাবীত আজি সাংস্কৃতিক ঐক্যমঞ্চ অসমে প্ৰতিবাদ সাব্যস্ত কৰে। ঐক্যমঞ্চৰ নেতৃত্বত নাট্যশিল্পী, অভিনেতা, শিল্পী কলাকুশলীসকলে গীতে-মাতে প্ৰতিবাদ সাব্যস্ত কৰি ছমাহৰ ভিতৰত ৰবীন্দ্ৰ ভৱন মুকলি কৰি দিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য যে কেইবা দশক জুৰি ৰবীন্দ্ৰ ভৱনৰ মঞ্চখন শিল্প সংস্কৃতিৰ ধাৰাবাহিক চৰ্চা আৰু বিকাশৰ

ঐতিহ্যপূৰ্ণ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। এই মঞ্চতেই অসমৰ ভালেসংখ্যক আগশাৰীৰ শিল্পীৰ উত্তৰণ হৈছে। আজি প্ৰতিবাদকাৰী শিল্পীৰ দলটোৱে বিলম্ব নকৰাকৈ আৰু কম ব্যয় সাপেক্ষে ভৱনটো ছমাহৰ ভিতৰত মেৰামতি কৰিবলৈ আহ্বান জনায়। ইপিনে, এই সন্দৰ্ভত সাংস্কৃতিক মন্ত্ৰী বিমল  বৰাই কয়, যে ৰবীন্দ্ৰ ভৱনটো পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে সুসংগঠিত পৰিকল্পনা গ্ৰহণ কৰিছে আৰু নিয়াৰিকৈ এই কাম কৰাৰ বাবে চৰকাৰক কিছু সময়ৰ প্ৰয়োজন হৈছে। এই পৰিকল্পনা ৰূপায়ণৰ বাবে চৰকাৰ শেষ পৰ্যায়ত উপনীত হৈছে আৰু শীঘ্ৰেই ৰবীন্দ্ৰ ভৱনটো পুনৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

কামৰূপ জিলাৰ আমিনগাওঁ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি কামৰূপ জিলা পৰিষদৰ অন্তৰ্গত ৫ খন আঞ্চলিক পঞ্চায়তৰ সদ্য নিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণ আৰু প্ৰথমখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত এই কাৰ্যসূচীত জিলাখনৰ ছয়গাওঁ আৰু বনগাওঁ পঞ্চায়তৰ ছগৰাকীকৈ ছয়ানি ৰাণী আঞ্চলিক পঞ্চায়তৰ এঘাৰ গৰাকী, ছমৰীয়াৰ ১৩ গৰাকী আৰু বকোৰ এঘাৰ গৰাকী আঞ্চলিক পঞ্চায়তৰ সদস্যই শপত গ্ৰহণ কৰে। শপত গ্ৰহণৰ পাছত জিলাখনৰ আয়ুক্তগৰাকীয়ে সদ্য নিৰ্বাচিত সদস্যসকলক নিষ্ঠাৰে নিজৰ কৰ্তব্য পালন কৰি পঞ্চায়তীৰাজ ব্যৱস্থাক শক্তিশালী কৰি তোলাৰ মনোভাৱেৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ প্ৰতিখন গাঁৱকে মাদকদ্ৰব্য মুক্ত কৰি ৰখাৰ বাবে জিলা প্ৰশাসনে সমাজ কল্যাণ বিভাগৰ সহযোগত ৫১ টা মাতৃগোট গঠন কৰিছে। জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ উদ্যোগত এই মাতৃগোটসমূহক কালিৰে পৰা দুদিনীয়া বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হয়। মাতৃসকলক গাঁৱে গাঁৱে গৈ মাদকদ্ৰব্যৰ অপকাৰিতা সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি নিজৰ গাঁওসমূহক মাদকদ্ৰব্যৰ পৰা মুক্ত কৰি ৰখাৰ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। আজি মাতৃগোটৰ প্ৰশিক্ষণৰ সামৰণিৰ দিনা জিলা প্ৰশাসন আৰু সমাজ কল্যাণ বিভাগে ৫১ টা গোটৰ ৫১০ গৰাকী সদস্যাক লৈ সজাগতামূলক সমদল উলিয়াই। মাদকদ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ পৰিকল্পনাৰে তেওঁলোকে বিভিন্ন শ্লোগান দি জনসাধাৰণক সজাগ কৰাৰ প্ৰয়াস কৰে।

০০০০০

সমাপ্ত